# 2017

## ASSAMESE

( Major )

Paper : 3.1

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। কেৱল উত্তৰটো লিখা : ১×১০=১০

(ক) কোনটো ভাষা পৰিয়ালক কেন্তুম আৰু শতম এই দুটা শাখাত ভাগ কৰা হৈছে?

(খ) ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ কোনটো শাখাৰ ভাষাত সৰ্বপ্ৰাচীন সাহিত্যিক নিদৰ্শন পোৱা যায়?

(গ) পাণিনিয়ে ৰচনা কৰা ব্যাকৰণখনৰ নাম কি?

(ঘ) 'প্ৰাকৃত' শব্দৰ যি কোনো এটা অৰ্থ লিখা।

(ঙ) *Linguistic Survey of India* নামৰ গ্ৰন্থখনৰ লেখক কোন?

(চ) শ্যাম-চীন গোষ্ঠীৰ প্ৰধান ভাষা কি?

(ছ) ড০ বাণীকান্ত কাকতিৰ গৱেষণা গ্ৰন্থখনৰ নাম কি ?

(জ) অসমীয়া ভাষাৰ এটা নৃ-গোষ্ঠীয় উপভাষাৰ নাম লিখা ।

(ঝ) অপভ্ৰংশ ভাষাৰ স্তৰ কেইটা ?

(ঞ) অসমীয়া ভাষাৰ মূল পৈশাচী প্ৰাকৃত বুলি কোনগৰাকী পণ্ডিতে মন্তব্য কৰিছিল ?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ যি কোনো দুটা ধ্বনিতাত্ত্বিক বৈশিষ্ট্য উল্লেখ কৰা ।

(খ) মগধীয় ভাষাগুচ্ছৰ পৰা ওলোৱা একেবাৰে পূবৰ আৰু একেবাৰে পশ্চিমৰ ভাষা দুটা কি কি ?

(গ) মধ্য অসমৰ উপভাষা কোন অঞ্চলত প্ৰচলিত ?

(ঘ) "কামৰূপৰ মানুহৰ ভাষা মধ্যভাৰতৰ মানুহৰ ভাষাতকৈ কিছু পৃথক" বুলি কোনে, কেতিয়া মন্তব্য কৰিছিল ?

(ঙ) তৎসম বা তদ্ভৱ শব্দ আৰু বিদেশী প্ৰত্যয় যোগ হৈ অসমীয়াত সৃষ্টি হোৱা যি কোনো দুটা শব্দ লিখা ।

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ কোনটো শাখাৰ লগত অসমীয়া ভাষাৰ সম্বন্ধ আছে ? সেই শাখাটোৰ চমু পৰিচয় দাঙি ধৰা ।





(খ) সাহিত্যিক প্ৰাকৃত কেইবিধৰ নাম লিখি যি কোনো এবিধ সাহিত্যিক প্ৰাকৃতৰ তিনিটা ধ্বনিতাত্ত্বিক বৈশিষ্ট্য উল্লেখ কৰা ।

(গ) মাগধী-প্ৰাকৃতৰ লগত অসমীয়া ভাষাক সম্পৰ্কিত কৰিব পৰা বৈশিষ্ট্য কেতবোৰ বিচাৰ কৰা ।

(ঘ) অসমীয়া ভাষাত আৰ্যমূলীয় তদ্ভৱ শব্দৰ প্ৰয়োগ বেছি হোৱাৰ কাৰণ ফঁহিয়াই দেখুওৱা ।

(ঙ) কামৰূপী উপভাষাৰ শব্দসম্ভাৰ সম্পৰ্কে এটি টোকা লিখা ।

(চ) অসমীয়া ভাষাত অষ্ট্ৰিক উপাদান কেনেদৰে পোৱা যায়, লিখা ।

৪। (ক) ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ আদিম বাসস্থান সম্পৰ্কে কি জানা, লিখা । ১০

*অথবা*

(খ) ইণ্ডো-ইউৰোপীয় ভাষাৰ শাখা-বিভাজন চমুকৈ আলোচনা কৰা । ১০

৫। (ক) মধ্যভাৰতীয় আৰ্যভাষাৰ বিকাশৰ স্তৰকেইটা উল্লেখ কৰি ইয়াৰ সাধাৰণ বৈশিষ্ট্যসমূহ লিখা । ১০

*অথবা*

(খ) পালি ভাষাৰ সময় নিৰূপণ কৰি ইয়াত সংস্কৃত ভাষাৰ স্বৰধ্বনিৰ কেনেধৰণৰ পৰিৱৰ্তন ঘটিছে, উদাহৰণসহ দেখুওৱা । ১০

৬। (ক) অসমীয়া ভাষাৰ জন্ম-সন্দৰ্ভত পণ্ডিতসকলে আগবঢ়োৱা মতামতসমূহ বিচাৰ কৰা। ১০

*অথবা*

(খ) উপভাষা বুলিলে কি বুজা? অসমীয়া ভাষাক কিমানটা উপভাষিক অঞ্চলত বিভক্ত কৰিব পাৰি, তোমাৰ নিজা দৃষ্টিভংগীৰে বিশ্লেষণ কৰা। ১০

৭। (ক) অসমীয়া ভাষাত কি কি উৎসৰ পৰা অহা শব্দবোৰ আছে, বহলাই লিখা। ১০

*অথবা*

(খ) গোৱালপৰীয়া উপভাষাৰ ব্যাকৰণগত বৈশিষ্ট্য বিচাৰ কৰা। ১০

★★★